**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 08-03-2026** **Time : 18.45Hrs**

***Assamese Evening Bulletin***

## HEADLINES (1845 PM)

**::::::::::::::::::**

১। আসন্ন বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজনৈতিক দলসমূহৰ মাজত নিৰ্বাচনী তৎপৰতা বৃদ্ধি।

২। আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি বৰ্ণাঢ্য কাৰ্যসূচী।

৩। তামুলপুৰ জিলাত মন্ত্ৰী জয়ন্তমল্ল বৰুৱাৰ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন।

৪। মহিলা এথলিটসকলৰ সৱলীকৰণৰ উদ্দেশ্যে দেশজুৰি **অস্মিতা লীগৰ** আয়োজন।

**আৰু**

৫। টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত খন্তেক পাছতে ভাৰত আৰু নিউজিলেণ্ড মুখামুখি।০০০০০

আসন্ন বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যত ৰাজনৈতিক দলসমূহৰ মাজত নিৰ্বাচনী তৎপৰতা পৰিলক্ষিত হৈছে। বিজেপিয়ে জন আশীৰ্বাদ যাত্ৰাৰ জৰিয়তে জনতাৰ কাষ চপাৰ চেষ্টা কৰাৰ সমান্তৰালকৈ বিৰোধী দল কংগ্ৰেছে সময় পৰিৱৰ্তন যাত্ৰাৰ জৰিয়তে ভোটাদাতাক আকৰ্ষণৰ বাবে চেষ্টা চলাইছে। বিজেপিয়ে আজি মাৰ্ঘেৰিটা, ডিগবৈ আৰু মাকুম সমষ্টিত জন আশীৰ্বাদ যাত্ৰা উলিয়ায়। এই যাত্ৰাৰ আজি সপ্তম দিনা মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে। প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে আজি নতুন বৰ অসম যাত্ৰীৰ অংশ হিচাপে মৰাণৰ তিলৈত আয়োজিত চাহ মজদুৰ আদিবাসীসকলৰ মহা সন্মিলনত অংশগ্ৰহণ কৰে।

ইপিনে সমাগত বিধানসভা নিৰ্বাচনত দেউৰী জনগোষ্ঠীৰ প্ৰাৰ্থীক প্ৰতিদ্বন্দ্বিতা কৰিবলৈ সুযোগ দিয়াৰ দাবী জনাই আজি ধেমাজিত দেউৰী ছাত্ৰ সন্থাই এখন সংবাদমেলৰ আয়োজন কৰে। সংগঠনটোৱে ৰাজ্যৰ যিকোনো এটা সমষ্টিত জনগোষ্ঠীটোৰ এগৰাকী প্ৰাৰ্থীক প্ৰতিদ্বন্দ্বিতাৰ সুযোগ দিবলৈ বিজেপি মিত্ৰজোঁট অথবা আন ৰাজনৈতিক দলসমূহক আহ্বান জনায়।০০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উদযাপন কৰা হয়। এই দিনটোতে ৰাষ্ট্ৰীয়, জাতিগত, ভাষিক, সাংস্কৃতিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক সীমাৰ পৰিধি নেওচি মহিলাসকলক তেওঁলোকৰ সাফল্যৰ বাবে সন্মান জনোৱা হয়। আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উপলক্ষে নতুন দিল্লীত আয়োজিত এটা অনুষ্ঠানত অংশ লৈ ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কয়, যে মহিলাসকলক সুযোগ আৰু সমৰ্থন আগবঢ়ালে তেওঁলোকে যিকোনো ক্ষেত্ৰতেই পাৰদৰ্শিতা দেখুৱাব পাৰে। বৰ্তমান সময়ত মহিলাসকলে উদ্যমিতাই হওক বা কৰ্পোৰেট জগততেই হওক নেতৃত্ব

বহন কৰিবলৈ সমৰ্থ হৈছে বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে। তেওঁ লগতে কয়, যে ভাৰত মহিলা নেতৃত্বাধিন বিকাশৰ দিশত দ্ৰুততাৰে অগ্ৰসৰ হৈছে আৰু কৰ্মক্ষেত্ৰত মহিলাৰ অংশগ্ৰহণো বৃদ্ধি পাইছে।

*(বাইট ঃ ৰাষ্ট্ৰপতি)*

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে নাৰী সমাজক শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে সহনশীলতা আৰু স্বপ্নৰে দেশ গঢ়ি তোলা প্ৰতিগৰাকী নাৰীলৈ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰে।

অসম সাহিত্য সভাৰ উদ্যোগত গুৱাহাটীৰ সাহিত্যচাৰ্য লক্ষ্মীৰাম বৰুৱা সদনত আজি আন্তঃৰ্জাতিক নাৰী দিৱস উদযাপন কৰা হয়। অনুষ্ঠানত অসম সাহিত্য সভাৰ সভাপতি বসন্ত কুমাৰ গোস্বামী বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। অসম লেখিকা সমাজকে ধৰি কেইবাটাও ছাত্ৰ সংগঠনেও আজি গুৱাহাটী মহানগৰীত পৃথকে পৃথকে নাৰী দিৱস উপলক্ষে কাৰ্যসূচীৰ আয়োজন কৰে। ইউনেস্কো এচ ছিয়েছন গুৱাহাটীৰ উদ্যোগতো গুৱাহাটী-পশ্চিম গুৱাহাটী মহাবিদ্যালয় আৰু কে চি দাস কমাৰ্চ কলেজৰ লগতে ধেমাজি চিলাপথাৰৰ পূৰ্বাঞ্চল কলেজ, ডিব্ৰুগড়ৰ ডি এইছ এছ কানৈ কলেজ, মৰাণ জুনিয়ৰ কলেজ, ডুমডুমাৰ বি আৰ এম চৰকাৰী আদৰ্শ মহাবিদ্যালয়ত আন্তৰ্জাতিক নাৰী দিৱস উদযাপন কৰা হয়।

মৰিগাঁও জিলাৰ জাগী ভকতগাঁও মণ্ডল মহিলা মৰ্চাৰ উদ্যোগত আয়োজিত নাৰী দিৱসৰ কাৰ্যসূচীত কেইবাগৰাকী মহিলাক সম্বৰ্ধনা জনোৱা হয়। সভাত আমন্ত্ৰিত বক্তাসকলে মহিলাৰ সৰ্বাংগীন বিকাশ, মহিলা সৱলীকৰণ, মহিলাৰ ন্যায়, ৰাজনৈতিক আৰু অৰ্থনৈতিক নিৰাপত্তা বিষয়ত ভাষণ দিয়ে। লেখিকা সংস্থা অসমৰ মঙলৈ শাখাৰ উদ্যোগত মঙলদৈ কেন্দ্ৰীয় নামঘৰ প্ৰাংগণত দিনজোৰা কাৰ্যসূচীৰে নাৰী দিৱস উদযাপন কৰা হয়। অনুষ্ঠানত ৰাজ্যিক বঁটাপ্ৰাপক অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী তথা বিশিষ্ট সাহিত্য সংগঠক কিৰণ শইকীয়া বৰাক সম্বৰ্ধনা জনোৱা হয়। ওদালগুৰি জিলাৰ টংলা আঞ্চলিক নাৰী মঞ্চৰ উদ্যোগত ছহিদ সুজিৎ নাৰ্জাৰী প্ৰেক্ষাগৃহত আয়োজিত নাৰী দিৱসৰ কাৰ্যসূচীত অসম ৰাজ্যিক মহিলা আয়োগৰ প্ৰাক্তন অধ্যক্ষা মৃদুলা চহৰীয়াক সম্বৰ্ধনা জনোৱা হয়।

ধুবুৰী জিলাৰ সামাজিক সংগঠন নৃত্যাংগনৰ উদ্যোগতো আন্তৰ্জাতিক নাৰী দিৱস পালন দিনজোৰা কাৰ্যসূচীৰে পালন কৰা হয়। অনুষ্ঠানত জিলাখনৰ কেইবাগৰাকীও মহিলাক সম্বৰ্ধনা জনোৱা হয়। নলবাৰীতো ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণ আৰু মাই ভাৰত কেন্দ্ৰই যুটীয়াভাৱে আন্তৰ্জাতিক নাৰী দিৱস পালন কৰে। নলবাৰী গৰ্ডন খেলপথাৰত আয়োজন কৰা অনুষ্ঠানত অঞ্চলটোৰ মহিলাসকলৰ মাজত বিভিন্ন খেল ধেমালি আয়োজন কৰা হয়।

আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে আজি লায়নছ ক্লাব ডিব্ৰুগড়ে পৌৰ নিগমৰ ১২ গৰাকী মহিলা চাফাই কৰ্মীক সম্বৰ্ধনা জ্ঞাপন কৰে। জিলাখনৰ ডিবৰু সাহিত্য-সংস্কৃতি জনমঞ্চৰ উদ্যোগতো খলিহামাৰিৰ বৈষ্ণৱ সমাজ কৃষ্টি শাখা ভৱনত আন্তঃৰ্জাতিক নাৰী দিৱস উপলক্ষে বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়। ধেমাজি মহাবিদ্যালয়ৰ মহিলা অধ্যয়ন কেন্দ্ৰই মহাবিদ্যালয়খনৰ আভ্যন্তৰীণ মান নিৰূপন কোষ আৰু উন্নত ভাৰত অভিযানৰ সহযোগত টঙনাপৰা কৈৱৰ্ত প্ৰাথমিক বিদ্যালয়ত নাৰী দিৱসৰ কাৰ্যসূচী অনুষ্ঠিত কৰে। কাৰ্যসূচীত ধেমাজি মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড০ অন্নজ্যোতি গগৈয়ে সমল ব্যক্তি ৰূপে অংশগ্ৰহণ কৰি নাৰী দিৱসৰ তাৎপৰ্য তথা নাৰী সৱলীকৰণৰ বিষয়ে বক্তব্য আগবঢ়ায়। এই সভাতে মহিলা অধ্যয়ন কেন্দ্ৰই প্ৰকাশ কৰি উলিওৱা দাপোণ শীৰ্ষক বাৰ্ষিক

পত্রিকাখন উন্মোচন কৰা হয়। বজালীৰ ভট্টদেৱ বিশ্ববিদ্যালয়ে নাৰী দিৱসৰ লগত সংগতি ৰাখি মেধিকুছি আদৰ্শ প্ৰাথমিক বিদ্যালয়ত সজাগতামূলক কাৰ্যসূচী আৰু বিনামূলীয়া স্বাস্থ্য শিবিৰৰ আয়োজন কৰে। ০০০০০০০০০

জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই আজি তামুলপুৰ জিলাত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধনী অনুষ্ঠানত অংশ লয়। মন্ত্ৰীগৰাকীয়ে জিলাখনৰ নাগ্ৰীজুলিত অসম দৰ্শন আঁচনিৰ অধীনত ৫৯৮ খন ধৰ্মীয় অনুষ্ঠানক সাহাৰ্য্যৰ চেক আনুষ্ঠানিক ভাৱে বিতৰণ কৰে। তেওঁ বিটিচিৰ মুখ্য কাৰ্য্যবাহী সদস্য হাগ্ৰামা মহিলাৰীৰ সৈতে নাগ্ৰীজুলি স্নাতক মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কাৰ্য্যসূচীত অংশ লয়। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ দূৰদৃষ্টিসম্পন্ন পদক্ষেপৰ ফলত বিটিআৰৰ জিলাকেইখনত অভূতপূব বিকাশ হৈছে বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। এই অনুষ্ঠানত অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী জিলা আয়ুক্ত চিমি কিৰণৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। মন্ত্ৰীগৰাকীয়ে আজি বাইহাটা গোৰেশ্বৰ পথত ১৩৬ কোটি টকা ব্যয় সাপেক্ষ নিৰ্মাণ কৰিবলগীয়া ৰে'লৱে উৰণ সেতুৰ আধাৰশিলা স্থাপন কৰে। তেওঁ লগতে এখন জনসভাত অংশ লৈ চৰকাৰে বিটিআৰৰ কল্যাণৰ বাবে গ্ৰহণ কৰা পদক্ষেপ সমূহত আলোকপাত কৰে।

(বাইট)

আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উপলক্ষে আজি যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে দেশজুৰি **অস্মিতা লীগৰ** আয়োজন কৰিছে। ইয়াৰ জৰিয়তে তৃণমূল পৰ্যায়ৰ মহিলা এথলিটসকলক এখন প্ৰতিযোগিতামূলক মঞ্চ প্ৰদান কৰি মহিলা সৱলীকৰণৰ লক্ষ্য লোৱা হৈছে। এই লীগৰ জৰিয়তে সমাগত দিনবোৰত দেশত ক্ৰীড়া সংস্কৃতি গঢ়ি তুলিবলৈ আৰু শক্তিশালী কৰি তুলিবলৈ  প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ স্বপ্নক বাস্তৱায়িত কৰা হ'ব। এই প্ৰতিযোগিতা ছোৱালীবোৰৰ বাবে মুঠ তিনিটা শাখাত অনুষ্ঠিত হ'ব। ১৩ বছৰ, ১৩ৰ পৰা ১৮ বছৰৰ ভিতৰত আৰু ১৮ৰ বছৰৰ উৰ্ধ- এই তিনিটা শাখাত এথলিটসকলে ক্ৰমে ১০০ মিটাৰ, ২০০ মিটাৰ আৰু ৪০০ মিটাৰৰ দৌৰত অংশগ্ৰহণ কৰিব। গ্ৰামাঞ্চল আৰু সৰু চহৰৰ ছোৱালীসকলক ক্ৰীড়াক কেৰিয়াৰ হিচাপে লোৱাৰ বাবে উৎসাহিত কৰাৰ লক্ষ্যৰে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে।

অসমৰো বিভিন্ন স্থানত আজি আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱসৰ লগত সংগতি ৰাখি অস্মিতা শীৰ্ষক লীগ আৰু অন্যান্য প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। শিৱসাগৰ জিলা ক্ৰীড়া বিষয়া কাৰ্য্যালয় আৰু মাই ভাৰতৰ জিলা যুৱ বিষয়াৰ যৌথ উদ্যোগত এই প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। শিৱসাগৰৰ ঐতিহাসিক পিয়লি ফুকন ষ্টেডিয়ামত পুৱাৰে পৰা বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। মাই ভাৰত কেন্দ্ৰ গোৱালপাৰাৰ সহযোগত দুধনৈ হাইস্কুল খেলপথাৰতো ক্ৰীড়া আৰু শাৰিৰীক কাৰ্য্যকলাপৰ জৰিয়তে মহিলা সকলৰ সৱলীকৰণ অভিযান অনুষ্ঠিত কৰা হয়। অনুষ্ঠানত জিলাখনৰ বিভিন্ন প্ৰান্তৰ প্ৰতিযোগিসকলে অংশগ্ৰহণ কৰে। এই সন্দৰ্ভত  গোৱালপাৰা মাই ভাৰত কেন্দ্ৰৰ জিলা যুৱ বিষয়া ৰায়া দাসে এইদৰে কয়- (বাইট)

নলবাৰীৰ গৰ্ডন খেলপথাৰত আজি আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উপলক্ষে অস্মিতা লীগৰ খেল অনুষ্ঠিত হয়। নলবাৰী পৌৰপতি জয়শ্ৰী তালুকদাৰে খেল উদ্বোধন কৰে।

ডিব্ৰুগড় জিলাৰ টিংখাং উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত অস্মিতা লীগৰ বিভিন্ন প্ৰতিযোগিতাৰ লগতে পৰম্পৰাগত খেলসমূহো অনুষ্ঠিত হৈছে।

০০০০০০০

কাজিৰঙাৰ বগৰীজুৰিত কালিৰে পৰা চাৰিদিনীয়া কাৰ্য্যসূচীৰে কাজিৰ ৰংহাংপি ঐতিহ্য মেলা অনুষ্ঠিত হৈছে। বিভিন্ন চৰকাৰী বেচৰকাৰী সংগঠন তথা স্থানীয় ৰাইজৰ সহযোগত আয়োজিত এই মেলা দিনৰ ১১ বজাৰ পৰা নিশা ৮ বজালৈ মুকলি ৰখা হৈছে। একেখন মঞ্চত আদিবাসী ঐতিহ্য প্ৰদৰ্শন, জৈৱ বৈচিত্ৰ সংৰক্ষণৰ প্ৰতি সজাগতা সৃষ্টি আৰু দায়বদ্ধ পৰ্য্যটনৰ প্ৰসাৰৰ বাবে সচেতনতা সৃষ্টিৰ প্ৰয়াস কৰা হৈছে। কালি কাজিৰঙা আৰু কাৰ্বি আংলং জিলাৰ মহিলা গোটে এই মেলাৰ দুৱাৰ মুকলি কৰে। স্থানীয়ভাৱে উৎপাদিত বিভিন্ন খাদ্য সামগ্ৰী, বাঁহ, কাঠ আৰু বেতৰ হস্তশিল্পৰ সামগ্ৰী বস্ত্ৰকে ধৰি বিভিন্ন সামগ্ৰীৰ বিপণী মেলাত মুকলি কৰা হৈছে। কাৰ্য্যসূচীৰ সৈতে সংগতি ৰাখি পৰম্পৰাগত খেল-ধেমালি, লোক নৃত্য, গীত, ভাষা শিক্ষাকে ধৰি কেইবাটাও বিষয়ত আলোচনা চক্ৰও অনুষ্ঠিত হ'ব। দেশৰ বিভিন্ন প্ৰান্তৰ পৰ্য্যটক, নীতি নিৰ্ধাৰক বিভিন্ন সংগঠনৰ প্ৰতিনিধি, উদ্যোগীকে ধৰি কমেও ৫ হাজাৰ লোকে মেলাৰ বিভিন্ন কাৰ্যসূচীত অংশ লব বুলি উদ্যোক্তা সকলে প্ৰকাশ কৰিছে।

0000000

ৰাজ্যৰ অন্যতম সাংবাদিক সংগঠন অসম বাৰ্তাজীৱি সংঘৰ নলবাৰীত অনুষ্ঠিত ৪৭ সংখ্যক দুদিনীয়া অধিবেশনৰ আজি সামৰণি পৰিব। নলবাৰী জিলাৰ বাৰ্তাজীৱি সংঘৰ সৌজন্যত আয়োজিত এই অধিবেশনৰ আজি মুকলি সভাত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই অংশ গ্ৰহণ কৰে। অনুষ্ঠানত দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে সাংবাদিকসকলৰ অধিকাৰ আৰু কল্যাণৰ হকে কাম কৰি অহা এই সংগঠনটোৱে ৰাজ্যজুৰি সাংবাদিকৰ সমস্যা সমাধানৰ ক্ষেত্ৰত সক্ৰিয় ভূমিকা লৈছে বুলি উল্লেখ কৰে। এই অনুষ্ঠানত অসম বাৰ্তাজীৱি সংঘৰ সভাপতি মধুসূদন মেধি প্ৰমুখ্যে কেইবাগৰাকীও বিষয়া উপস্থিত থাকে। উল্লেখযোগ্য যে কালি আৰম্ভ হোৱা এই অধিবেশনৰ কালি সন্ধিয়াৰ প্ৰতিনিধি সভাত ২১ খন জিলাৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে।

0000000

ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰা গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বৰ্মা সেঁতুখন আজি লঘু যান-বাহনৰ চলাচলৰ বাবে মুকলি কৰা হয়। ৩ হাজাৰ কোটি টকাৰো অধিক পৰিমাণৰ পুঁজি ব্যয়সাপেক্ষে নিৰ্মাণ কৰি উলিওৱা ১ দশমিক ২-৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই দলংখনে উত্তৰ-গুৱাহাটীত থকা ৰাষ্ট্ৰীয় প্ৰতিষ্ঠান তথা সাংস্কৃতিক স্থানসমূহলৈ যাতায়াত সুচল কৰি তোলাৰ লগতে উত্তৰ গুৱাহাটীক মহানগৰ হিচাপে গঢ়ি তোলাত বিশেষ ভূমিকা পালন কৰিব। উল্লেখযোগ্য যে যোৱা ১৪ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দলংখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰাৰ পাছত পথচাৰীসকলৰ বাবে মুকলি কৰি দিয়া হৈছিল। পৰৱৰ্তী সময়ত দলংখনেৰে ব্যৱসায়িক যান বাহনৰ চলাচলৰ অনুমতি দিয়া হব বুলি সংশ্লিষ্ট কৰ্তৃপক্ষৰ উদ্ধৃতিৰে আমাৰ সংবাদদাতাই জানিবলৈ দিছে।000000

অহা ১৫ মাৰ্চত গুৱাহাটীত হ'বলগীয়া যুৱ সন্মিলনত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অংশগ্ৰহণ কৰিব। আজি যোৰহাটত বিজেপিৰ কাৰ্যকৰ্তা আৰু বিষয়ববীয়া সকলৰ মাজত অনুষ্ঠিত আলোচনাত অংশগ্ৰহণ কৰি বিৎমন্ত্ৰী অজন্তা নেওগে এই কথা প্ৰকাশ কৰে।000

আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত খন্তেক পাছতে ভাৰত নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। নিউজিলেণ্ডে টছত জিকি ভাৰতক প্ৰথমে বেট ধৰাৰ

বাবে আমন্ত্ৰণ জনাইছে। চতুৰ্থবাৰৰ বাবে টি-২০ বিশ্বকাপৰ ফাইনেলত অৱতীৰ্ণ ভাৰতে আজি তৃতীয়বাৰলৈ খিতাপ দখলৰ বাবে আপ্ৰাণ চেষ্টা চলাব। ০০০০০০০